যিয়ে মোক মুখৰ দুই পাৰিৰ মাজত থকা জিভাৰ আৰু দুই ভৰিৰ মাজত থকা লজ্জাস্থান সুৰক্ষিত ৰখাৰ নিশ্চয়তা প্ৰদান কৰিব, তাক মই জান্নাতৰ নিশ্চয়তা প্ৰদান কৰিম।

ছাহল বিন ছাআদ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিয়ে মোক মুখৰ দুই পাৰিৰ মাজত থকা জিভাৰ আৰু দুই ভৰিৰ মাজত থকা লজ্জাস্থান সুৰক্ষিত ৰখাৰ নিশ্চয়তা প্ৰদান কৰিব, তাক মই জান্নাতৰ নিশ্চয়তা প্ৰদান কৰিম।
[ছহীহ] [(বুখাৰী)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যদি এজন মুছলিমে এই দুটা বস্তুক সুৰক্ষিত ৰাখে তেন্তে তেওঁ জান্নাতত প্ৰৱেশ কৰিব। প্ৰথমটো হৈছে, এনেকুৱা কথাৰ পৰা জিভাক সুৰক্ষিত ৰখা, যি কথা ক'লে আল্লাহ অসন্তুষ্ট হয়। দ্বিতীয়টো হৈছে, অশ্লীলতাত লিপ্ত হোৱাৰ পৰা লজ্জাস্থানক সুৰক্ষিত ৰখা। কাৰণ এই দুটা অংগৰ জৰিয়তেই অধিক গুনাহ সংঘটিত হয়।

http://sunnah.global/hadeeth/as/show/3475